নিবন্ধ চয়ন

শ্রীসত্যেন্দ্রনারায়ণ গোস্বামী
রবীন্দ্রনাথ ঠাকুর অধ্যাপক, গুয়াহাটী বিশ্ববিদ্যালয়

Directorate of Library Services
No.
Date.

বীণা লাইব্রেরী
কলেজ হোস্টেল রোড : গুয়াহাটী-১ : অসম

NIBANDHA CHAYAN A collection of thirteen critical articles on various cultural and literary topics written by Dr Satyendranarayan Goswami, M A , D. Phil., (Cal), Rabindranath Tagore Professor, Department of Modern Indian Languages, Gauhati University and Published by Sri Santiranjan De, Bina Library, Guwahati-781001 Price Students Edition. Rs 25 00 Bound Edition Rs 30 00

প্রথম প্রকাশ :
ডিসেম্বর, ১৯৯০

মূল্য : ছাত্র সংস্করণ—২৫ ·০০ টকা
শোভন সংস্করণ—৩০ ·০০ টকা

প্রকাশক :
শান্তিরঞ্জন দে
বীণা লাইব্রেরী
কলেজ হোস্টেল রোড
গুৱাহাটী ৭৮১০০১

মুদ্রাকর :
শ্রীমাণিকলাল ভট্টাচার্য
গৌরী প্রেস
২/এ, কেদার বসু লেন
কলিকাতা-৭০০০০৬

সাহিত্য সমাজ-সংস্কৃতিৰ অন্তৰ চিত্ৰপট। সেই চিত্ৰপট একো একোখন সমাজৰ সাংস্কৃতিক দিশ তথা উত্থান-পতন, ভাল-বেয়া আদি বিবিধ কাৰ্য্য-কলাপৰ অৱলম্বনত ৰূপায়িত হোৱা চিন্তা প্ৰবাহৰ দ্বাৰা সমৃদ্ধ। সাহিত্যক লৈয়ে সমাজৰ সাংস্কৃতিক পটভূমিৰ ওপৰত প্ৰতিষ্ঠিত স্বৰ্ণ-সৌধ বুলিও কোৱা হয়। সেই সাংস্কৃতিক বিস্তীৰ্ণ ভূমিৰ পৰা আহৰিত কেইটামান পুষ্পস্তবকৰ দ্বাৰা পৰিপুষ্ট এই নিবন্ধ চয়ন। ঠাইতে কৰবলৈ হলে অন্তৰ বিক্ষিপ্ত অৱস্থাত থকা নতুন দৃষ্টিভঙ্গিৰে লিখা তেওঁৰ প্ৰবন্ধৰ ই এটি নবীন সংকলনহে মাত্ৰ। অসমীয়া সাহিত্যৰ স-পুৰণি পঢ়ুৱৈসকললৈ এইটো এটি নতুন উপহাৰ।

পরম আরাধ্যা মাতৃদেবী

শ্রীযুক্তা দেবমায় গোস্বামীর

কর কমলেষু

সূচীপত্ৰ

বিষয়		পৃষ্ঠা
১।	সংস্কৃতিৰ স্বৰূপ	১
২।	প্ৰাচীন ভাৰতীয় সংস্কৃতি	৯
৩।	ভাৰতৰ আৰ্যসভ্যতা আৰু সংস্কৃত ভাষা	১৭
৪।	ডাকৰ কথা	২৪
৫।	ৰামায়ণ সাহিত্য (প্ৰাক্‌শঙ্কৰী যুগ)	৩৬
৬।	মাধৱদেৱৰ নামঘোষা	৪৬
৭।	ব্ৰজবুলিৰ বিকাশ	৫৮
৮।	গোহাঞিবৰুৱাৰ ৰচনাশৈলী	৬৪
৯।	বৰদলৈ-উপন্যাসত নাৰী চৰিত্ৰ	৭৬
১০।	দুৰ্বাৰ কবিতা	৮৪
১১।	অম্বিকাগিৰীৰ গদ্যৰীতি	৯৭
১২।	জ্যোতিপ্ৰতিভাৰ আভাস	১১১
১৩।	অসমীয়া গদ্যৰীতি	১২০
১৪।	গ্ৰন্থপঞ্জী	১৩২

'মানুহ ভাল সঙ্গত থাকিলে ভাল হয়, আৰু বেয়া সঙ্গত থাকিলে বেয়া হয়। ভাল পুথি পঢ়িলে ভাল সঙ্গত থকা যেন, আৰু বেয়া পুথি পঢ়িলে বেয়া সঙ্গত থকা যেন ফল হয়।'

—সত্যনাথ বৰা

নিবেদন

কিতাপ এখন লিখোঁ বুলি এই পুথি লিখা বুলিলে ভুল হ'ব। আচলতে নানা সময়ত নানা কাৰণত লিখা নানা বিষয়ৰ প্ৰবন্ধ বিলাকৰ কেইটামান থূপাই ৰাখিবলৈহে এই সংকলনটিৰ কাম হাতত লোৱা হৈছে। ছাত্ৰী কালৰে পৰা সৰু সুৰা প্ৰবন্ধ, ৰচনা আদি লিখিবলৈ নানাজনৰপৰা উৎসাহ উদগনি পাইছিলোঁ আৰু সেই উদগনিতে উৎসাহিত হৈ বিভিন্ন বিষয়ত প্ৰবন্ধ লিখিবলৈ কলম হাতত লৈছিলোঁ, সেই বিলাকৰ প্ৰায়খিনিয়েই আজিও ভালেমান পত্ৰিকা আলোচনী, বিবিধ স্মৃতি গ্ৰন্থ আদি নানা কাকত আৰু সংকলনৰ পাতত সিঁচৰতি হৈ আছে। যোৱা পঞ্চাশ-ষাঠি দশকৰ মোটামুটিভাৱে প্ৰায় পোন্ধৰ বছৰ কালৰ ভিতৰত সৃষ্ট কৰা প্ৰবন্ধ বিলাকৰ মাজৰপৰা এঘাৰটা আৰু আশীৰ দশকৰ কালছোৱাত ৰচিত দুটা প্ৰবন্ধ থপিয়াই আনি 'নিবন্ধ চয়ন' নাম দি একেলগে থূপাই পুথি আকাৰত প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছোঁ। এই প্ৰসঙ্গত প্ৰথমতে বিশ্ববিদ্যালয়ৰ আমাৰ সহকৰ্মী অধ্যাপক সকলৰ নাম উল্লেখ কৰিব লাগিব। কিয়নো তেখেত সকলে প্ৰায়ে মন্তব্য দিয়া শুনো যে আমাৰ প্ৰবন্ধকাৰ সকলে য'ত ত'ত নানা ঠাইত প্ৰকাশ হোৱা নিজৰ প্ৰবন্ধ বিলাক পুথি আকাৰত গোটালেও অসমীয়া সাহিত্যৰ বিশেষকৈ চিন্তাশীল ৰচনাৰ অভাৱ কিছু পূৰ হয়। আচলতে শিক্ষাব্ৰতী অসমীয়া ভাষা সাহিত্য প্ৰেমী ব্যক্তি সকলৰ সেই মন্তব্যকে 'নিবন্ধ চয়ন' সংকলনটিৰ সৃষ্টিৰ মূল কাৰণ বুলিব পাৰি। সেইবাবে এই সুযোগতে আটাই বিলাক সহকৰ্মী অধ্যাপকৰ শলাগ লওঁ।

এইখিনিতে আৰু এটি কথা উল্লেখ কৰা দৰ্কাৰ। ইতিমধ্যে এই গ্ৰন্থৰ অধিকাংশ প্ৰবন্ধ যোৱা দশকৰ প্ৰাৰম্ভতে প্ৰকাশিত 'নিবন্ধ সংগ্ৰহ'ত স্থান পাইছিল। বিভিন্ন আলোচনীৰ পৰা সেই প্ৰবন্ধবোৰ অতি কম সময়ৰ ভিতৰতে নকল কৰি প্ৰেছৰ পাণ্ডুলিপি যুগুতাই দিয়া বাবে মৰমৰ শ্ৰীমান হৰেন বৰুৱা আৰু হেমন্তকুমাৰ গোস্বামী, শ্ৰীমতী তৃপ্তিৰাণী গোস্বামী, দিপালী বৰুৱা, লিলি হাজৰিকা, বীণু সভাপণ্ডিত, মিনতি শন্দিকৈ, অহ দুৱৰা আৰু অপৰ্ণা শৰ্মাৰ শলাগ লোৱাৰ উপৰিও এওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা

কৰিলোঁ। সম্প্ৰতি সেই পুথিৰ প্ৰবন্ধৰ লগত আন প্ৰবন্ধ কেইটামান যোগ দি 'নিবন্ধ চয়ন' প্ৰকাশ কৰা হ'ল।

ইয়াত স্থান দিয়া নিবন্ধবোৰৰ চাৰিটা ভাষা-সংস্কৃতি বিষয়ক, এটা মাত্ৰ আছে লোক-সাহিত্য বিষয়ক। তাৰ বাহিৰে আন আঠটা নিবন্ধৰ বিষয়বস্তু অসমীয়া সাহিত্য, তাৰো তিনিটা আচলতে গ্ৰন্থৰীতি সম্পৰ্কীয় আৰু দুটা নিবন্ধৰ বিষয় বস্তু পুৰণি অসমীয়া সাহিত্যৰ পৰা আহৰণ কৰা হৈছে। এই সকলো বিলাক নিবন্ধ এই সংকলনত সন্নিবিষ্ট কৰা সময়ত আগৰ দৰে হুবহু একে ৰূপত নাৰাখি ঠায়ে ঠায়ে হাত ফুৰোৱা হৈছে। আমাৰ ধাৰণা ৰচনা খিনিয়ে অসমীয়া ভাষা সাহিত্যৰ নতুন পুৰণি সকলো পঢ়ুৱৈৰ মনত আনন্দ দিব পাৰিব, বিশেষকৈ শিক্ষাৰ্থী সকল ইয়াৰ দ্বাৰা অধিক লাভৱান হব বুলি ন-দি কব পাৰি। 'নিবন্ধ চয়ন' পুথিখনে সহৃদয় পাঠক পাঠিকা সকলৰ মাজত সমাদৰ লাভ কৰা যেন দেখিলে আমাৰ এনেকুৱা আলোচনামূলক আন বিলাক প্ৰবন্ধও আলোচনী আদিৰ পাতৰ পৰা গোটাই এনেভাৱে পুথি আকাৰত ছপাই ৰাইজৰ হাতত তুলি দিবলৈ মনত বল পাম।

সৰ্বোশেষত গুৱাহাটীৰ বীণা লাইব্ৰেৰীৰ অন্যতম স্বত্বাধিকাৰী শ্ৰীশান্তিৰঞ্জন দে ডাঙৰীয়াই এই সংকলনটি প্ৰকাশ কৰিবলৈ আগ্ৰহ দেখুৱাতে ক্ষান্ত নাথাকি খৰখেদাকৈ সেই দায়িত্ব লৈ যি সহৃদয়তাৰ পৰিচয় দিলে তাৰ বাবে তেখেত আমাৰ বিশেষ ধন্যবাদৰ পাত্ৰ। আমি ভৰা মতে পুথিখনি যথাসময়ত ছপা কৰি দিয়া বাবে কলিকতাৰ গৌৰী প্ৰেছৰ শ্ৰীমাণিকলাল ভট্টাচাৰ্য্যেো এই সুযোগতে শলাগ লওঁ।

'নিবন্ধ চয়ন' পুথিখনৰ দ্বাৰা উঠি অহা পঢ়ুৱৈ সকল বিশেষ উপকৃত হোৱা বুলি জানিব পাৰিলেহে আমি কৃতাৰ্থ মানিম।

ইতি—

গুৱাহাটী বিশ্ববিদ্যালয় শ্ৰীসত্যেন্দ্ৰনাৰায়ণ গোস্বামী

সংস্কৃতিৰ স্বৰূপ

সংস্কৃতি কথাষাৰেৰে সাধাৰণভাৱে কোনো এটা জাতি বা বিশেষ সম্প্ৰদায়ৰ সমাজ-সভ্যতা-ভাষা সাহিত্য আদিৰে পৰিবৃত অৱয়বটোৰ মাজত পৰিস্ফুত হোৱা বিশিষ্ট ৰূপটোৰ কথাকে বুজোৱা হয়। চলাচলতে সমাজ সভ্যতা আৰু সংস্কৃতি এই তিনিটোৰ অতি ঘনিষ্ঠ অংগাংগি সম্পৰ্ক, এটাক বাদ দি আনটো প্ৰকাশিব নোৱাৰে। সমাজ যেনেকুৱাই নহওক, তাৰ মাজতে কিন্তু সেই সমাজখনৰ সংস্কৃতি তথা সাংস্কৃতিক প্ৰতিচ্ছবি এটা মূৰ্তমান হৈ উঠে। মানৱ সমাজৰ আদিম স্তৰৰে পৰা সভ্যতাৰ প্ৰবহমান গতিৰ লগত সংস্কৃতিয়েও খোজ মিলাই আহিছে। এই দুয়োটাৰে সম্পৰ্ক থিক যমজ ভাতৃ সদৃশ যদিও শব্দ দুটাৰ তাৎপৰ্যৰ মাজত কিছু প্ৰভেদ আছে, আৰু সেই পাৰ্থক্যগত অৰ্থ অটুট ৰাখিয়ে ইইতৰ প্ৰয়োগ হৈ অহাও দেখা যায়।

সভ্যতাৰ মাজতহে সংস্কৃতিৰ বিকাশ ঘটে। আজিৰ মানুহে আদিম স্তৰৰ বৰ্বৰ পৰিবেশৰ পৰা সময়ৰ সোঁতত ক্ৰমবিকাশৰ পথেৰে বাটকুৰি বাই পৰিয়াল, গাঁও, সমাজ আদি সামূহিক আচৰণৰ মাজেদি বহু স্তৰ ভেদ কৰি ক্ৰমশঃ ঢাপে ঢাপে উচ্চৰ পিনে গতি কৰি সুসভ্য স্তৰত উপনীত হৈছেহি। মানুহৰ সমাজ-ব্যৱস্থাৰ এই দীঘলীয়া জীৱন-ধাৰাই সভ্যতাৰো জীৱন-ধাৰা, ইয়াকে সভ্যতাৰ ইতিহাস বুলিও কোৱা হয়। সেই বুলি আকৌ সভ্যতাৰ সূচনা তথা সূত্ৰপাতকে সংস্কৃতিৰ সূচনা আখ্যা দিব নোৱাৰি। 'সংস্কৃতি' শব্দটোৰ ব্যুৎপত্তিগত অৰ্থৰ লগত সংস্কাৰ তথা সংশোধন কথাষাৰ সম্পূৰ্ণৰূপে নিহিত। গতিকে মানুহৰ বা কোনো জনগোষ্ঠীৰ জীৱনধাৰা তথা বিশ্বাস, ধ্যান-ধাৰণাৰ জৰিয়তে এক বিশিষ্ট ৰূপ

গঢ় লৈ উঠালৈকে প্ৰকৃতাৰ্থত তেওঁলোকৰ মাজত প্ৰচলিত হৈ অহা প্ৰাকৃতিক নিয়ম-নীতিৰ সংস্কাৰ সাধন সম্ভৱ নহয়। প্ৰকৃতিৰ মাজত থাকি সেই প্ৰকৃতিৰ প্ৰেৰণাৰে উদ্বুদ্ধ হৈয়ে তেওঁলোকে কায়িক আৰু মানসিক উত্তৰোত্তৰ বিকাশৰ বাবে সামূহিক জীৱনৰ কল্যাণৰ প্ৰতি চকু ৰাখি প্ৰচলিত বিবিধ আচাৰ বিচাৰৰ বহুখিনি বাদ দি আহিছে কিম্বা প্ৰয়োজন সাপেক্ষে নতুন নতুন কিবা কিছু সংযোজন কৰিছে, অৰ্থাৎ সামাজিক প্ৰয়োজনীয়তালৈ চাই পুৰণি নিয়মকে সংশোধন কৰি লৈছে আৰু সেইবোৰৰ যোগেদি সমাজক, সভ্যতাক অগ্ৰগতিৰ পথত ধাৱমান হবলৈ সুযোগ দিছে। এই প্ৰক্ৰিয়া সিদ্ধ সমাজত যিটো স্বাভাৱিক ৰূপ তাকেই সাধাৰণভাৱে সংস্কৃতি আখ্যা দিয়া যাব পাৰে।

সভ্যতা আৰু সংস্কৃতিৰ পাৰ্থক্যটো পোনপটীয়াকৈ সমান্তৰাল-ভাৱে দেখুৱা কিছু টান। সমাজৰ বিবিধ সম্পদৰাজি যেনে, ঘৰ-দুৱাৰ, ঘৰুৱা জীৱনৰ নানা সা-সামগ্ৰী, শিল্পাদিৰ বিবিধ আহিলা-পাতি প্ৰভৃতিক সেইখন সমাজৰ সভ্যতাৰ নিদৰ্শন বুলি ধৰা হয় আৰু সেই সমস্ত সৃষ্টিৰ অন্তৰালত থকা বৌদ্ধিক বিকাশ আদি নানা কায়দা কৌশলৰ কথালৈ আঙুলিয়াই তাক সেইখন সমাজৰ সংস্কৃতিৰূপে অভিহিত কৰা হয়। মহেঞ্জোদাৰোৰ ভগ্নস্তূপ, কাম্পিয়ানৰ, পাদদেশৰ ভগ্নস্তূপ, ৰামেশ্বৰমৰ ভগ্নস্তূপ, নালন্দাৰ ভগ্নস্তূপ, আমৰাৱী, সূৰ্যপাহাৰ আদিৰ প্ৰাচীন সম্পদৰাজিৰ মাজত আৱিষ্কৃত বিবিধ সা-সামগ্ৰী একো একোটা যুগৰ সমাজৰ সভ্যতাৰ চানেকি আৰু সেইবোৰৰ মাজত নিহিত থকা বৌদ্ধিক বিকাশৰ বিবিধ কৌশলৰ ব্যাখ্যা দি সেই সমাজৰ সংস্কৃতি সম্পৰ্কে মতামত দিয়া হয়। দৰাচলতে, এই দুটাৰ মাজত পাৰ্থক্যৰ ৰেখাডাল আঁকি দিয়া টান যদিও এনেভাৱে কব পাৰি যে সভ্যতা বাহৰ অৰ্থাৎ নিচেই ওচৰত থকা বস্তু আৰু সংস্কৃতি আমাক আগুৰি থকা বস্তু। সাধাৰণভাৱে

জীৱন ধাৰাৰ বাবে প্ৰদত্ত বস্তুখিনি সভ্যতাৰ দান, আৰু তাৰ সংস্কাৰ সাধিত ৰূপটো সংস্কৃতিৰ দান। দুয়োটা নিবিড় সম্বন্ধযুক্ত বাবেই শব্দ দুটাৰ প্ৰয়োগত কিছু শিথিলতা ঘটাও আমাৰ চকুত পৰে। এইটোৱেো ঠিক যে সভ্যতাই যিদৰে সংস্কৃতিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে, সেইদৰে সংস্কৃতিৰ দ্বাৰাও সভ্যতা প্ৰভাৱান্বিত হয়, আৰু অধিক মহিমান্বিতও হয়।

সংস্কৃতি শব্দটোৰ ব্যুৎপত্তি, অৰ্থ আৰু তাৰ প্ৰয়োগৰ প্ৰতিও কিছু চকু দিয় দৰকাৰ। ভাৰতীয় ভাষাত ইয়াৰ প্ৰয়োগ অতি অৰ্বাচীন। প্ৰাচীন কালেো ভাষাতে ইয়াৰ প্ৰয়োগ নোহোৱাটোৱেো মন কৰিব লগীয়া কথা। ইংৰাজী culture শব্দৰ সমাৰ্থকৰূপে 'সংস্কৃতি' শব্দটোৰ পোন প্ৰথমে মাৰাঠী ভাষাত প্ৰয়োগ হয় দ্বিতীয় মহাসমৰৰ আগে আগে। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ প্ৰমুখ্যে সমসাময়িক ভাৰতৰ বিখ্যাত কবি-সাহিত্যিকে আকৌ 'সংস্কৃতি'ৰ সাইত কালচাৰ' শব্দহে লিখিছিল, ইংৰাজী শব্দটো নিজৰ ভাষাৰ উচ্চাৰণ অনুসৰি আখৰ জোঁটন কৰি শব্দটো লিখা দেখা যায়। কিন্তু আন এদল প্ৰগতিবাদী কবি-সাহিত্যিকে ইংৰাজী শব্দটো প্ৰয়োগ নকৰি 'সংস্কৃতি' শব্দটোকে সেই culture-অৰ সমাৰ্থকৰূপে জনপ্ৰিয় কৰি তুলিবলৈ উঠিপৰি লাগিছিল আৰু সেই প্ৰচেষ্টাৰ সুফলো ফলিল। সংস্কৃতত 'সম্ √কৃ+ক্তিন সিদ্ধ পদ সংস্কৃত', ইয়াৰ অৰ্থ হয়গৈ সংস্কাৰ বা সংশোধন। সেই দিনৰ পৰা ইংৰাজী culture অৰ সমাৰ্থকৰূপে এই শব্দটো কোনো সন্দেহ বা সংকোচ নোহোৱাকৈ গ্ৰহণ কৰিব পাৰি। উল্লেখযোগ্য যে মানববিদ্যাৰ জাতীয় অধ্যাপক ভাষাচাৰ্য ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায় দেৱে এই culture-অৰ সমাৰ্থকৰূপ 'কৃতি' শব্দ ব্যৱহাৰ কৰিছিল, কিন্তু পাছলৈ তেওঁ নিজেও তাৰ ঠাইত অৰ্থাৎ 'কৃতি' নিলিখি 'সংস্কৃতি'হে লিখিছিল। আন ভালেমান সাহিত্যিকে

আকৌ culture-অৰ অৰ্থ প্ৰকাশ কৰিবলৈ 'কৃষ্টি' শব্দহে প্ৰয়োগ কৰা দেখা যায়। মূলতে ই হ'ল কোল ভাষাৰ পৰা আহৰণ কৰা সংস্কৃত কৃষ ধাতুজ পদ কৃষ্টি (=কৃষ্‌+তি)। ইয়াৰ অৰ্থ কৰ্ষণ, হালবোৱা হাল চালন। অৱশ্যে বসুধাৰ বুকুত কৰ্ষণ কাৰ্য সম্পাদনৰ দ্বাৰা উৎপাদন কৰা শস্যই মানুহৰ জীৱন ৰক্ষা কৰে, জীৱন শক্তি আহৰণৰ দ্বাৰা মানুহ মনৰ কৰ্ষণ কৰিবলৈ সক্ষম হয় বুলি টানিটুনি বহু কল্পনাৰ আশ্ৰয় লৈ এটা ব্যাখ্যাৰ অৱতাৰণা কৰাও দেখা যায়। কিন্তু আচলতে মানুহৰ বাহিৰৰ কৰ্ম সংষ্টিৰ লগতহে কৃষ্টিৰ পোনপটীয়া সম্পৰ্ক, মনৰ চিন্তা-ধাৰণা বিচাৰ বিশ্লেষণাদিৰ লগত তাৰ প্ৰত্যক্ষ সম্পৰ্কহীনতাৰ বাবেই 'কৃষ্টি' শব্দটোৱে সমাজ-সভ্যতাৰ বিশেষত্ব সমূহক সামৰি সুতৰি লব নোৱাৰি। 'কৃতি' দৰাচলতে কৰ্ম, আৰু সেই কৰ্মই হ'ল কৃষ্টি। আকৌ আন এটা জাতিৰ কৰ্মৰ সংষ্টি হ'ল সেই জাতিটোৰ কৃষ্টি, আৰু সেই কৰ্মৰাজি তথা কৃষ্টিৰ শ্ৰেষ্ঠাংশ অৰ্থাৎ মানসিক চিন্তা, কল্পনা আৰু আদৰ্শই হ'ল সংস্কৃতি। প্ৰাকৃতিক উপাদানৰ আলমত মানুহ নানা কল্পনা কৰে, সৌন্দৰ্য সুধা পান কৰে, মনৰ আবেগ-অনুভূতিয়ে নানা ভাৱে আত্মপ্ৰকাশ কৰে, স্থান-কাল-পাত্ৰ অনুসৰি সি সমাজভেদে কিছু ভিন্ন ৰূপত ঠন্‌ ধৰি উঠে। এই ভিন্নতা তথা তাৰতম্যৰ মূলতে জৈৱিক প্ৰয়োজনীয়তা, সেই অভাৱ পুৰাবলৈকে মানুহে সৃষ্টিৰ প্ৰেৰণা লাভ কৰে। সেই সৃষ্টি কিন্তু কেৱল বস্তুগতই নহয় ভাৱগতও, এই উভয় বিধৰ সকলো সৃষ্টিয়েই দৰাচলতে সংস্কৃতিৰ বৰ ঘৰ নিৰ্মাণত সহায় কৰে। কৃষ্টি বা সভ্যতাতকৈ সংস্কৃতি অধিক গৰিমামণ্ডিত।

সংস্কৃতি কি, বোলে কাক, এনেভাৱে সুধিলে এটা পোনপটীয়া সূত্ৰ বা সংজ্ঞা দিব নোৱাৰি। অৱশ্যে কোনেও যে ইয়াৰ এটা সুসংহত সংজ্ঞা নিৰূপণৰ চেষ্টা কৰা নাই এনেও নহয়। নৃতাত্ত্বিক সকলৰ কেইজনমান পণ্ডিতক এই বিষয়ত বিশেষ মনোযোগ দিয়া দেখা

যায়। সি সকলৰ ভিতৰত ই বি টেইলৰ অগ্ৰণী। তেওঁ Premitive Culture, Vol I-ত ইয়াৰ সংজ্ঞা দিবলৈ গৈ কৈছে 'which includes knowledge, belief, art, morals, law, custom and any other capabilities and habits acquired by man as a member of Society'-য়েই হ'ল culture অৰ্থাৎ তেওঁৰ মতে জ্ঞান, বিশ্বাস, আচৰণবিধি, বিবিধ নীতি নিয়ম, সমাজৰ অন্যতম ব্যক্তি হিচাপে আহৰণ কৰা মানুহৰ সকলো ৰকমৰ অভ্যাস বা আচৰণৰ অভিব্যক্তিয়েই সংস্কৃতি। সেইদৰে ফ্ৰান্সিচ মেৰিল নামৰ আন এজন নৃতাত্ত্বিকৰ মতে মানুহৰ ইতিহাসৰ লগত সংস্কৃতিৰ ইতিহাস সম্পৃক্ত, অৰ্থাৎ মানুহৰ ইতিহাস অধ্যয়নেই সংস্কৃতিৰ অধ্যয়ন, তেওঁৰ দৃষ্টিত সংস্কৃতিৰ ইতিহাস আৰু মানুহৰ ইতিহাস অভিন্ন। মেৰিলে সংস্কৃতিৰ ব্যাখ্যা সুস্পষ্ট ৰূপত দাঙি ধৰিব পৰা নাই, সন্দেহ বিজড়িত। প্ৰকৃতপক্ষে মানুহে যুগে যুগে পুৰুষানুক্ৰমে জীৱন ধাৰণ প্ৰণালীৰ নব নব বস্তু, কিম্বা পুৰাতন বস্তুকে নব নব সাজত আহৰণ কৰি আহিছে, আৰু সামাজিক প্ৰয়োজনত বিশেষ পৰিবেশত ভাব ৰূপান্তৰো ঘটিছে। এইদৰে নানা শ্ৰেষ্ঠ কৰ্মৰ জৰিয়তে মানুহে পুৰুষ পৰম্পৰা লাভ কৰা ভাৱগত আৰু বস্তুগত সম্পদৰাজিকেই সংস্কৃতি ৰূপে অভিহিত কৰিব পাৰি। এই মতবাদৰ প্ৰধান প্ৰবক্তা হ'ল সমাজবিজ্ঞান তথা সমাজতত্ত্বৰ পণ্ডিত ফুনে। সঁচা কথা, সংস্কৃতি মানৱ সমাজৰ পুৰুষ পৰম্পৰা প্ৰদত্ত অন্যতম শ্ৰেষ্ঠ দান। কোনো সমাজৰ ভাল-মন্দ কাৰ্য-কলাপৰ মাজতহে সংস্কৃতিৰ সকলো উপাদান অন্তৰ্নিহিত। সমাজৰ সকলোৰে পাৰস্পৰিক কাৰ্যাদিৰ জৰিয়তে বিকাশ লাভ কৰা বস্তু হ'ল সংস্কৃতি। মেলভিল জে হাৰস্কোভিট্চ-ৰ Cultural Anthropology গ্ৰন্থত কোৱা 'Culture is the man-made part of the environment' কথাষাৰ এই প্ৰসঙ্গত বিশেষ প্ৰণিধানযোগ্য।

ব্যক্তিৰ সমষ্টিয়েই সমাজ আৰু সেই ব্যক্তিৰ ব্যক্তিত্বই হ'ল সমাজৰ সামূহিক সংগঠন তথা একত্রিত কৰণৰ প্ৰধান অৱলম্বন। তাৰ মাজতে নিহিত থাকে সমাজ একোখনৰ বাস্তৱ ৰূপ, সামগ্রিক তথা দলবদ্ধ ৰূপ, যাৰ ওপৰত ঠন্ ধৰি উঠে সেই সমাজখনৰ সাংস্কৃতিক ৰূপ। গতিকে সমাজ অর্থাৎ সেই সমাজৰ ব্যক্তিসকলৰ ব্যক্তিত্বৰ নিবিড় সম্পৰ্কৰ মাজতহে সংস্কৃতি মূৰ্ত্তমান তেনেহলে এখন সমাজৰ বিশেষত্ব বাজিৰ সামগ্রিক ৰূপটো গঠন কৰা ক'চমাৰ্জ্জিত জীৱন ধাৰাৰ জাগতিক আৰু আধ্যাত্মিক কাৰ্যৰ সমষ্টিয়েই সেইখন সমাজৰ সংস্কৃতি। এই সংস্কৃতি সদায় একে ৰূপতে প্ৰবৰ্ত্তিত নহয় সমাজৰ পৰিবৰ্ত্তনৰ লগে লগে, সভ্যতাৰ অগ্রগতিৰ খোজে খোজে সংস্কৃতিৰো নানা সংশোধন ঘটে। মানুহৰ আচৰণ স্বভাৱগত, প্ৰবৃত্তিগত, তাৰো সংশোধন ঘটে, সংস্কাৰো হয় কম বেছি পৰিমাণে আৰু সময়ে সময়ে নব নব আচৰণেও ঠাই পায়। এইদৰেই সংস্কৃতিৰ ৰূপান্তৰ ঘটি আহিছে—কালৰ অবিৰত সোঁতত সমাজ-সভ্যতাৰ প্ৰবহমান গতিত।

সংস্কৃতিৰ বাহক হ'ল আচলতে ব্যক্তি আৰু সমাজ। ধৰ্ম আৰু ভাষা হ'ল সংস্কৃতিৰ আন দুটি শ্ৰেষ্ঠ উপাদান। সমাজৰ সকলোবোৰ কথা তাৰ মাজতে সোমাই থাকে। সেই কাৰণে যি কোনো দৃষ্টি-কোণৰ পৰাই চোৱা নহওক, সংস্কৃতিৰ স্বৰূপ বিচাৰক ভাষাক কোনো পধ্যেই বাদ দিব নোৱাৰি। ঐতিহাসিক, কুলগত, মনস্তাত্বিক গঠনমূলক, বৰ্ণনামূলক আদি নানা দৃষ্টিকোণৰ পৰা সংস্কৃতিৰ স্বৰূপ বিচাৰ কৰিব পাৰি, আৰু তেতিয়াহে দৰাচলতে এখন সমাজৰ সংস্কৃতিৰ প্ৰকৃত ৰূপটো পাব পাৰি। পূৰ্বে উল্লেখ কৰা দৰে মানুহে আহৰণ কৰা জাগতিক আৰু আধ্যাত্মিক দুয়োবিধ আচৰণৰ দ্বাৰাহে সংস্কৃতি গঢ় লৈ উঠে। ইয়াৰ তাৎপৰ্য অর্থাৎ মৌলিক কথাটো হ'ল ব্যক্তিৰ ব্যক্তিত্ব, পুৰুষ পৰম্পৰা প্ৰবৰ্ত্তিত চিন্তাধাৰা আৰু তাৰ

মাজেদি প্ৰকট হৈ উঠা সামাজিক মূল্যবোধ। ইয়াক সেইবাবেই জীৱন যাত্ৰাৰ আদৰ্শ ৰূপেও অভিহিত কৰা হয়। জীৱন যাত্ৰাৰ পথ আদৰ্শভ্ৰষ্ট হৈ পৰিলে, সমাজ জৈৱিক প্ৰবৃত্তিৰ কোবাল সোঁতত উটি গলে কিম্বা অনাদানিকৃত আচৰুৱা আচৰণৰ প্ৰবল হৈচাত পৰিলে সংস্কৃতি নিম্নমুখী হয় আৰু সি অপসংস্কৃতি আখ্যা পায়। আচলতে তেতিয়া সমাজ একোখনৰ সংস্কৃতিৰ অপমৃত্যু ঘটে। আনহাতে সংস্কৃতিয়ে সমাজৰ গতিৰ লগত তাল মিলাই পুৰণি আচৰণ বিধি-ব্যৱস্থাৰ মাজত নতুন নতুন বিধি-ব্যৱস্থাকো নিজস্ব প্ৰয়োজনবোধে স্বীকৃতি দি আদৰ সাদৰকৈ সাৱটি লয়, সংস্কাৰো আছে আৰু একে সময়তে অনিৰন্তৰ আদৰি লবলৈকো দুৱাৰ-খিড়িকি খোলা থাকে— সুসংস্কৃতিৰ পাহাৰি সেইখিনিতে, আৰু তাতেহে সংস্কৃতি মহীয়সী ৰূপত বিৰাজমান।

চমু কথাত, সভ্যতা আৰু সংস্কৃতি এই দুয়োটা বস্তু নিশ্চিতভাৱে সমাজৰ ওপৰত নিৰ্ভৰশীল যদিও সংস্কৃতি বহুখিনি নিৰ্ভৰ কৰে সেই সমাজৰ মানুহৰ ব্যক্তিত্বৰ ওপৰত। সমাজৰ সভ্যতাৰ কোনো এক স্তৰত সংস্কৃতিয়ে প্ৰকাশ লাভ কৰে, আৰু সেই সংস্কৃতিৰ আশ্ৰয়তে সভ্যতা অধিক প্ৰাণৱন্ত হৈ উঠে। দুয়োটাৰে সম্পৰ্ক এনেকুৱা নোৱাৰা বিধৰ, সম্পূৰ্ণভাৱে ওতপ্ৰোত, সভ্যতাক সমাজৰ বাহ্যিক আভৰণ বুলি কলে সংস্কৃতিক সেইখন সমাজৰ আভ্যন্তৰীণ সম্পদ বুলিব লাগিব। এঃ সংস্কৃতিৰ আধুনিক অৰ্থ যথেষ্ট নতুন সঁচা, কিন্তু শব্দটিৰ প্ৰয়োগ পুৰণি সাহিত্যতো একেবাৰে বিৰল নহয়—“ঐতৰেয় ব্ৰাহ্মণ”ত ‘বিশেষ কৃষ্টি’ অৰ্থত ইয়াৰ প্ৰয়োগ কৰাটো সঁচাকৈয়ে মন কৰিব লগীয়া কথা। তাত কাঁহ আদি ধাতু নিৰ্মিত বস্তু, সোণৰ অা-অলংকাৰ নাও, ৰথ, ঘোঁৰা, হাতীদাঁতৰ পৰা প্ৰস্তুত কৰা নানা শিল্প কৰ্মক আত্মাৰ সংস্কৃতি ৰূপে অভিহিত কৰা হৈছে। আজিৰ সংস্কৃতিৰ তাৎপৰ্য বিশ্লেষণত প্ৰাচীন ‘আত্মাৰ সংস্কৃতি’ৰ অৰ্থ

সম্প্ৰসাৰিত হোৱা বুলি কব নোৱাৰিনে ? ভাৰতীয় সংস্কৃতিৰ বিচাৰ বিশ্লেষণত তেনে এটি মৌলিক তত্ত্বৰ সন্ধেদ উপলব্ধি কৰিয়েই হয়তো মাৰাঠী ভাষাত 'সংস্কৃত' শব্দটো culture অৰ পৰিভাষা হিচাপে প্ৰয়োগ কৰা বুলি অনুমান হয়। ভাষাচাৰ্য ডক্টৰ সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ 'দেৱসম কৃতিয়েই সংস্কৃতি' বোলা কথাষাৰ এই প্ৰসঙ্গত বাহুৰিকে তাৎপৰ্যপূৰ্ণ। সংস্কৃতি একে দিনাই ঠন ধৰি উঠিব নোৱাৰে, সময়ৰ সোঁতত ই নানাভাৱে এপদ দুপদকৈ গঢ় লৈ আহে। দৰাচলতে সমাজৰ আচৰণ তথা ধৰ্মই হ'ল সংস্কৃতি-বিকাশৰ প্ৰশস্ত ক্ষেত্ৰ। কিয়নো স্তূপীকৃত সেই আচৰণৰ প্ৰতিৰূপই সংস্কৃতি, আৰু সেই সংস্কৃতি প্ৰতিভাত হয় সমাজৰ সামগ্ৰিক জীৱন-পদ্ধতিৰ ব্যাপক কেনভাচত।

প্ৰাচীন ভাৰতীয় সংস্কৃতি

(১)

প্ৰাচীন ভাৰতীয় সংস্কৃতি আৰ্য আৰু অনাৰ্যসকলৰ বৈশিষ্ট্যৰ দ্বাৰা সমৃদ্ধ। আনকথাত, তেওঁলোকৰ অসাধাৰণ মিলনেই প্ৰাচীন ভাৰতীয় সংস্কৃতি। সমাজ ব্যৱস্থা, ধৰ্ম, সভ্যতা, ব্যৱসায়, শিল্প, সাহিত্য, শিক্ষা দীক্ষা আৰু বিবিধ আচাৰ-অনুষ্ঠানে সেই সংস্কৃতিৰ স্বাক্ষৰ বহন কৰি আছে। তথ্যসংকুল প্ৰাচীন ভাৰতৰ নানা অনুসন্ধানৰ দ্বাৰাহে সেইকালৰ ভাৰতীয় সংস্কৃতিৰ পৰিচয় পোৱা সম্ভৱ।

ভাৰতৰ প্ৰাচীন সমাজ আৰ্য আৰু অনাৰ্যৰ সমষ্টি মাত্ৰ। অনাৰ্য বুলি অভিহিত কৰা সমাজ ব্যৱস্থাই প্ৰাচীন ভাৰতীয় সংস্কৃতিলৈ প্ৰথম অৱদান। ভাৰত বৰ্ষত আৰ্য অভ্যুদয় সম্পৰ্কে আজিও বাদানুবাদৰ অন্ত পৰা নাই। ভাষাতত্ত্ব, ভূতত্ত্ব আদিৰ অৱলম্বনত নানা পণ্ডিতে নানা মতামত দাঙি ধৰিছে। মেঁয়া মৰগানৰ মতে আৰ্যৰ আদিস্থান চাইবেৰিয়, ও টা শ্ৰাডেৰৰ মতে দক্ষিণ ৰুছিয়া, আন বহুতে আকৌ কৰ খোজে কাস্পিয়ান অঞ্চল বুলি—ইত্যাদি ৰকমে নানা মুনিৰ নানা মত। সেই মতামত সমূহৰ ওপৰত নিৰ্ভৰ কৰি নিশ্চয়কৈ কৰ পাৰি যে আৰ্যসকল বহিৰাগত, এই কথাত কোনো সন্দেহ নাই। আমাৰ হাতত যি প্ৰাচীন প্ৰমাণপত্ৰ আছে সেই ঋগ্বেদতো আৰ্যৰ আদি বাসস্থান সম্পৰ্কে 'প্ৰত্ন ওক.' বুলিহে কোৱা হৈছে। সেই ঠাই ক'ত, ভাৰতৰ অন্তৰ্গত নে চাইবেৰিয়াৰ অন্তৰ্গত আজিলৈকে মীমাংসা হোৱা নাই। আৰ্যসকল য'ৰেই নহওক আৰ্য সংস্কৃতিয়ে ভাৰতবৰ্ষক যে গ্ৰাস কৰি পেলাইছিল সেই কথা সঁচা। ঋগ্বেদ আদিত উল্লিখিত ঠাইৰ ভৌগোলিক বৰ্ণনাৰ পৰা আৰ্যবিস্তাৰৰ সম্ভেদ পোৱা যায়। তাত উল্লেখ কৰা বাৰি নদৰ অৱবাহিকা অঞ্চলৰূপে পাঞ্জাব, সিন্ধু আৰু

বেলুচিস্থানক সামৰি লোৱা হৈছে। মহেঞ্জোদাৰোত খান্দি উলিয়া ধ্বংসস্তূপত পোৱা প্ৰাচীন সা সা-গ্ৰীৰ লগত ঋগ্বেদৰ ভালেমান বৰ্ণনাৰ মিল আছে। এই বস্তুবোৰ খ্ৰীষ্টপূৰ্ব তিনি হাজাৰ বছৰৰো আগৰ বুলি অনুমান কৰা হৈছে। সেইবোৰ আৰ্যসকলৰ পূৰ্ব সভ্যতাৰ স্মৃতিচিহ্ন বুলিহে কোৱা হয়। এই সম্পৰ্কেও নানা যুক্তি তৰ্ক আছে। পিচে বিশেষজ্ঞসকল এটা কথাত একমত যে এই সকলো বিলাক আচলতে ভাৰতীয় সংস্কৃতিৰহে নিদৰ্শন ইয়াৰ অট্টালিক বা মন্দিৰ আদিৰ গঠন, কাৰুকাৰ্য আদিৰ লগত দ্ৰাবিড় সকলৰ মঠ-মন্দিৰৰ হুবহু মিল আছে। হৰপ্পাৰ এটা মন্দিৰ হেনো সূৰ্য আৰু বৈখানস সূত্ৰ অনুসাৰে যজ্ঞবেদীৰ আহিত নিৰ্মিত। ইয়াৰ উপৰিও তাত পোৱা গৈছে চক্ৰাকাৰ ধাতু বা শিল, নানা জন্তুৰ মূৰ্তি, ক্ষোদিত ফলি, আ-অলঙ্কাৰ, সোণ-ৰূপ-তাম আদি ধাতু নিৰ্মিত বস্তু, সামগ্ৰী ইত্যাদি। প্ৰত্নতত্ত্ববিদ সকলৰ মতে এইবোৰ তাম্ৰযুগৰ সম্পদ। ঋগ্বেদ আৰু অথৰ্ববেদত উল্লেখিত কিছুমান বস্তুৰ লগত এইবোৰৰ মিল আছে। সেইকালৰ মন্দিৰ সমূহত পানীকুঁৱাৰ উপৰিও সৰু-বৰ স্নানগৃহৰ ব্যৱস্থা আছিল। আৰ্য আৰু দস্যুৰ অট্টালিকাৰ লগত মহেঞ্জোদাৰোৰ মন্দিৰৰ সুন্দৰ মিল আছে। ইয়াত পোৱা মাটিৰ মূৰ্তি ক্ষোদিত ফলিবোৰত সুমেৰীয় সভ্যতাৰ প্ৰভাৱ থকা বুলি কোনো কোনোৱে কৰ খোজে, কিন্তু আচলতে সেইবোৰ আৰ্য আৰু দ্ৰাবিড় সভ্যতাৰহে নিদৰ্শন।

(২)

ভাৰতীয় সংস্কৃতিলৈ আৰ্যসকলৰ দৰে দ্ৰাবিড়সকলৰো যথেষ্ট অৱদান আছে। প্ৰাচীন দ্ৰাবিড় সভ্যতাৰ ওপৰত আৰ্যৰ কোনো প্ৰভাৱ নাই। দ্ৰাবিড় সমাজ মূলতঃ মাতৃপ্ৰধান, অৰ্থাৎ মাতৃপক্ষৰ পৰা পৰিয়াল গঠিত হয়। আনহাতে আৰ্যসকলৰ পৰিয়াল পিতৃপ্ৰধান।

দ্ৰাবিড় সমাজ গঠনৰ লগত তথাকথিত অসুৰ সমাজৰ বহু সাদৃশ্য অনুমান কৰা হয়। আৰ্যৰ নিন্দাৰ পাত্ৰ ময়-অসুৰে দ্ৰাবিড় সভ্যতাৰ বিজ্ঞান চৰ্চাৰ প্ৰমাণ দি গৈছে। বিশ্বকৰ্মা হ'ল পূৰ্ত আৰু স্থপতি বিদ্যাৰ আৰ্য আদৰ্শৰ প্ৰতীক আৰু আনহাতে, ময়-দানৱ হল সমপৰ্যায়ৰ দ্ৰাবিড় আদৰ্শৰ প্ৰতীক

মিছৰীয়, সুমেৰীয় আদি জাতিৰ ওপৰত দ্ৰাবিড় প্ৰভাৱৰ কথা অস্বীকাৰ কৰিব নোৱাৰি। দ্ৰাবিড় সকল নৌবিদ্যাত পাৰ্গত আছিল সংস্কৃত নৌ সম্বন্ধীয় শব্দবোৰ দ্ৰাবিড় ভাষাৰ পৰা আহৰণ কৰা। দ্ৰাবিড়সকল ভাৰতৰ আদিম লোক, আৰ্যসকলৰ দৰে এওঁলোকক বহিৰাগত বুলি ভবাৰ কোনো যুক্তি নাই। সুদূৰ অতীতৰে পৰা মেচোপটেমিয়াৰ লগত ভাৰতৰ গভীৰ সম্পৰ্ক আছিল। ইন্দ্ৰ, মিত্ৰ, বৰুণ, নাসত্য, সূৰ্য আৰু মৰুৎ—এই ছয়গৰাকী বৈদিক দেৱতাৰ পূজা ভাৰতৰ বাহিৰতো প্ৰচলিত আছিল, বোগাচকুই (Boghuskui) প্ৰস্তৰ লেখ টেল্ এল্-আমাৰ্ণা (Tel-el-Amarna) পত্ৰ আৰু বেবিলনৰ কাছাইত সকলৰ নানা পুথিত এই দেৱতা সকলৰ উল্লেখ আছে। এচিৰীয় আৰু মিটানি ৰাজ্যৰ যুদ্ধ ইতিহাস প্ৰসিদ্ধ এক অবিস্মৰণীয় ঘটনা। সম্প্ৰতি Amenhotop অলৈ লিখা শালেমান প্ৰাচীন চিঠি পত্ৰ উদ্ধাৰ হোৱাত আৰু বহু নতুন আৰু মূল্যবান তথ্যৰ সন্ধেদ পোৱা গৈছে। এইবোৰৰ ৰচনা-কাল উল্লিখিত বোগাচকুই লিপিৰ সমসাময়িক। এই চিঠিবোৰত মেচোপটেমিয়াৰ মিটানি জাতিৰ উল্লেখ আছে, আনকি কোনো কোনো ৰজাৰ কথাও তাত কোৱা হৈছে। টুসৰত্ত অৰ্ততম্ সুত্তৰ্ণ, আৰ্টসুমৰ আদি কেইগৰাকীমান প্ৰতাপী ৰজাই বৈদিক দেৱ-দেৱতা ইন্দ্ৰ, মিত্ৰ, বৰুণ আৰু নাসত্যক পূজা-পাতল কৰাৰ কথাও কোৱা হৈছে। কাশীয় জাতিয়ে লিডিয়াৰ পৰা গৈ সমগ্ৰ বেবিলন জয় কৰিছিল- এওঁলোকৰ ৰাজত্ব-কাল খ্ৰীষ্টপূৰ্ব ১৮শ—১২শ শতিকা বুলি অনুমান কৰা হৈছে। এই

ৰজাসকলৰ নামকৰণতো আৰ্য প্ৰভাৱ লক্ষ্য কৰা যায়। কাশ্বীয় সকলৰ Shurias, marytas আৰু Simelia যথাক্ৰমে আৰ্য নাম বাচক শব্দ, সূৰ্য, মৰুৎ আৰু হিমালয়। ভাৰতৰ পৰা পোনে পোনে আৰ্য ধৰ্ম এচিয়া মাইনৰলৈকে বিয়পি পৰিছিল। প্ৰচলিত এটা বিশ্বাস মতে আৰ্য ধৰ্ম পাৰস্যৰ মধ্যস্থতাতহে এচিয়া মাইনৰ পাইছেগৈ, কিন্তু পাৰস্যৰ ভাষাতত্ত্বই সেই কথাৰ সত্যতা প্ৰমাণ কৰিব নোৱাৰে। পাৰস্যৰ ভাষাত সেই দেৱ-দেৱতাসকলৰ নামেই নাই। বোগাচ্ কুই লিপিত উল্লেখিত দেৱ-দেৱতা বা সংখ্যাবাচক নামৰ লগত বৈদিক দেৱ-দেৱতা বা সংখ্যাবাচক শব্দৰ হুবহু মিল আছে। তদুপৰি কিছুমান বৈদিক শব্দও তাত পোৱা গৈছে। পণ্ডিতসকলে অনুমান কৰে যে এই দূৰ দেশতো আৰ্য দেৱতাসকলে শান্তিৰ বাণী প্ৰচাৰ কৰিছিল। এই শান্তিৰ বাণী প্ৰচাৰতেই ভাৰতবৰ্ষৰ প্ৰথম আন্তৰ্জাতিক পৰিচয়। মানৱ জাতিৰ কল্যাণসাধন আৰু তাৰ হকে দেশ-বিদেশত ভাৰতবৰ্ষৰ সক্ৰিয় ভূমিকা আজিৰ নহয়, ইতিহাস বা সভ্যতাই চুকি পোৱা কালৰে পৰা এই কাৰ্যৰ সুন্দৰ প্ৰমাণ আছে।

(৩)

ইৰাণীসকল বেদত বৰ্ণনা কৰা অসুৰ জাতিৰ সমতুল্য। ইৰাণৰ অবেস্তাতকৈ ঋগ্বেদ যে প্ৰাচীন এই বিষয়ত সন্দেহ নাই। বেদৰ কিছুমান কথাৰ লগত অবেস্তাৰ কিছুমান মিল আছে। আৰ্যৰ পৰিধেয় বস্ত্ৰ-ব্যৱস্থা, নানা ক্ষৌৰকৰ্ম আৰু জয়ধ্বনিসূচক শব্দৰ লগত ইৰাণীৰ মিল আছে। অবেস্তাত উল্লিখিত যণ্ড মৰ্ক, বেৰেত্ৰয়, ত্ৰেতণ যথাক্ৰমে আৰ্যৰ বেদত উল্লেখ কৰা যণ্ড, মৰ্ক, বৃত্ৰঘ্ন আৰু ত্ৰিতআপ্ত্য একে। এই উভয়পন্থীৰ আদি পুৰুষৰ বাসস্থান মূলতঃ একেই আছিল, আৰু তাক 'স্বৰ্গ'ৰূপ অভিহিত কৰিছিল। এওঁলোকৰ বেদপন্থীসকলে 'দেৱ' আৰু আনবিলাকে 'অসুৰ' ৰূপে প্ৰসিদ্ধি লাভ

কৰিলেও দেৱাসুৰ 'ঈশ্বৰ' ৰূপে জনাজাত আছিল আৰু ইটোৱে সিটোক ভ্ৰাতৃব্য (ভাতৃতুল্য) ৰূপে পৰিচয় দিছিল। কিন্তু সময়ৰ সোঁতত এওঁলোকৰ আধ্যাত্মিক চিন্তাৰ ভাঙন তথা বিভেদৰ সৃষ্টি হ'ল আৰু সেইদৰে ধৰ্মমতবো প্ৰভেদ ঘটিল। ভৃগুৱে প্ৰবৰ্তন কৰা অগ্নিপূজাৰ লগে ল'গ দেৱসকলে যজ্ঞ আৰম্ভ কৰিলে। আদিতে হেনো অসুৰসকলেও একেদৰে যজ্ঞানুষ্ঠানত যোগদান কৰিছিল। শেষত এই পাৰ্থক্য ইমান প্ৰবল হৈ পৰিল যে দেৱসকল কেৱল যজ্ঞকাৰীৰূপেহে পৰিচিত হ'লগৈ, 'যজ্ঞেন বৈ দেৱাঃ'। বৈদিক সাহিত্যমতে অসুৰ-সকলো স্বৰ্গবাসী, বৈদিকযুগত এওঁলোকো দেৱ-দেৱতাৰ মানত যথেষ্ট শ্ৰদ্ধাভাজন আছিল। মৰুৎ, দ্যৌ, বৰুণ, ত্বষ্টা, অগ্নি, বায়ু পুষ্প, সবিতা, পৰ্জন্য আছিল বেদৰ বিশেষ সম্মানসূচক অসুৰ। বৈদিক ঋষিসকলে অলৌকিক শক্তিৰ গৰাকী বুলিয়েই এওঁলোকক অসুৰ বুলিছিল। বেদত শতাধিকবাৰ অসুৰ শব্দৰ উল্লেখ আছে আৰু অতি কম সংখ্যক স্থানতহে 'অসুৰ' শব্দটো দুষ্ট অৰ্থত উল্লেখ কৰা হৈছে। দেৱাসুৰৰ মাজত নিলা প্ৰীতি থকা কাললৈকে অসুৰ দেৱৰ মানত শ্ৰদ্ধাভাজন আছিল, কিন্তু পিচলৈ তেওঁলোকৰ মাজত বিভেদ আৰু শত্ৰুভাব গাঢ হৈ পৰিল। আদিতে এই শত্ৰুতা দেৱাসুৰৰ ব্যক্তিকেন্দ্ৰী আছিল, কিন্তু পাচলৈ সি জাতিকেন্দ্ৰী হৈ পৰিলগৈ। অসুৰসকলে দেৱসকলক আদিচোৱাত যথেষ্ট কষ্ট দিছিল, কিন্তু পাচলৈ অসুৰসকলেই দেৱ কৌশলৰ আগত টিকিব নোৱাৰি থৰকাচুতি হেকৰাবলগীয়া হ'ল। ইন্দ্ৰ আছিল সেই সময়ত প্ৰবল পৰাক্ৰমী। দেৱ অসুৰৰ মাজত ইন্দ্ৰৰ অনুগ্ৰহ লাভৰ কাৰণেও অবিয়াঅবি চলিছিল। দেৱসকলে ইন্দ্ৰক কৈছে: 'আস্মাকংত্ত কেৱলঃ।' অসুৰক নাশ কৰিবলৈ ইন্দ্ৰক দেৱসকলে বাৰে বাৰে আহ্বান জনাইছে। অসুৰক নাশ কৰিবলৈ অগ্নিয় দেৱসকলক মন্ত্ৰ দিবলৈ প্ৰতিশ্ৰুতি দিছিল। শাৰীৰিক বলত অসুৰবোৰ আছিল বেছি

শক্তিশালী। অসুৰৰ সুৰক্ষিত দুৰ্গও আছিল বহুসংখ্যক। কেৱল পিপ্ৰু অসুৰৰে বোলে দুৰ্গ আছিল প্ৰায় এশটা। বৰ্চী অসুৰৰ আছিল কেবালাখ দুৰ্দান্ত যোদ্ধা। বহু সময়ত ইন্দ্ৰ, বিষ্ণু, অগ্নি, সূৰ্য আদি স্বয়ং দেৱতাসকলেও অসুৰৰ লগত যুদ্ধত জয় হোৱাৰ কাৰণেই ইন্দ্ৰ-অগ্নি সূৰ্য এই তিনিও গৰাকী দেৱতাক 'অসুৰহা' বুলি কোৱা হৈছিল অসুৰসকল মহাঅসুৰ ৰুদ্ৰৰ ভক্ত আছিল। দেবাসুৰৰ যুদ্ধত অসুৰক পৰাভূত কৰাৰ পাচৰে পৰা অসুৰসকলক দেৱ-সকলে পূৰ্বৰ ভ্ৰাতৃবাৰ সলনি শত্ৰুৰূপে পৰিচয় দিবলৈ লৈছিল।

(৪)

সামাজিক জীৱনৰ মূল ভেটি হ'ল পৰিয়াল তথা পাৰিবাৰিক জীৱন। পাৰিবাৰিক জীৱনৰ আশ্ৰয়তে সমাজে গঢ় লৈ উঠে বৈদিক যুগৰেপৰা সমাজত মানুহৰ জীৱনৰ চাৰি আশ্ৰমৰ প্ৰচলন আছিল গাৰ্হস্থ্যৰ জীৱনত প্ৰধান আদৰ্শ আছিল ইন্দ্ৰিয় জয় কৰি পাৰিবাৰিক জীৱনৰ পবিত্ৰতা ৰক্ষ কৰা, আৰু সেয়ে আছিল সন্ন্যাস জীৱনৰ চৰম আদৰ্শ। বৈদিক সমাজত স্বগোত্ৰ আৰু অসবৰ্ণ বিচাৰ পদ্ধতি এনেকুৱা ভাবে নিৰ্ধাৰিত কৰ আছিল যে তাত স্বজাতীয় সংস্কৃতৰ কোনো হানি নহৈছিল। তদুপৰি Hypergamy অৰ্থাৎ নিয়োগ পদ্ধতিৰ কাৰণে নীচবৰ্ণত আৰ্য সংস্কৃতৰ প্ৰসাৰ বহু পৰিমাণে সহজ হৈ পাৰছিল।

সত্য আৰু ঋত আছিল বৈদিক সমাজৰ আদৰ্শ। সমাজৰ ওপৰত ধৰ্ম বা নীতিৰ বহুল প্ৰভাৱ, কিন্তু নিজ নিজ ধৰ্মত প্ৰত্যেকেই আছিল স্বাধীন। সনাতন ধৰ্ম আছিল তাহানিৰ ভাৰতবৰ্ষীয় সমাজৰ সমষ্টিগত ধৰ্ম, আৰু সেই সমাজৰ ব্যক্তিগত ধৰ্মই আছিল স্বধৰ্ম। ভাৰতীয় সমাজ গঠনত আৰ্য কিম্বা দ্ৰাবিড় বুলি কোনো কথা নাই। আৰ্য সভ্যতা বিস্তাৰৰ ফলত আৰ্য আৰু অনাৰ্যৰ সংমিশ্ৰণ ঘটে।

ফলত সেই সময়ৰ নানা জাতিৰ সমষ্টিৰ ওপৰত আৰ্যসকলে স্ব-প্ৰভাৱ প্ৰতিষ্ঠা কৰিবলৈ যাওঁতেই এনেকুৱা এখন সমাজৰ সৃষ্টি হয়। এই সমাজ আৰ্য-অনাৰ্যৰ সংমিশ্ৰণৰ ফল। বৈদিক আৰ্যৰ আদৰ্শ আছিল ধৰ্ম, অৰ্থ আৰু কাম, আনহাতে আৰ্যৰ বৰ্ণভেদ আছিল ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য—এই বিভাগৰ দ্বাৰা উচ্চ-নীচ ভেদাভেদৰ কথা নিৰ্দেশিত হোৱা নাছিল এই তিনিবৰ্ণৰ কাৰণে সামাজিকভাৱে কিছুমান নীতি নিয়ম প্ৰবৰ্তিত হৈছিল আৰু কোনোৱে সেই নীতি অমান্য কৰিলে স্ব-ধৰ্মত্যাগী ৰূপে গণনাৰ পাত্ৰ হৈছিল। কাল অতিবাহিত হোৱাৰ লগে লগে সেই ধৰ্ম বা বৰ্ণ বিভাগেই জাতিবিভাগত পৰিণত হৈছিল। সেইকালত ধৰ্মৰক্ষাই আছিল ৰজাৰ প্ৰথম প্ৰধান কৰ্তব্য তথা ধৰ্ম। ৰজাৰ কৰ্তব্য আছিল বৰ্ণ আৰু আশ্ৰমৰ মৰ্যাদা ৰক্ষা কৰা। এইখিনিতে ভাৰতীয় ৰাজধৰ্মৰ আদৰ্শৰ লগত অন্যদেশীয় ৰাজধৰ্মৰ পাৰ্থক্য পৰিলক্ষিত হয় আন দেশৰ ৰাজধৰ্ম আছিল ৰাজ্যৰক্ষা, কিন্তু ভাৰতৰ ৰাজধৰ্ম আছিল ধৰ্মৰক্ষা। ৰজাৰ ধৰ্মই প্ৰজাৰ ধৰ্ম, এই আপ্তবাক্য ঐতিহাসিক সত্যৰ ওপৰত প্ৰতিষ্ঠিত। ভাৰতবৰ্ষত ৰজাক ঈশ্বৰৰ প্ৰতিনিধিৰূপে মানি লোৱা হৈছিল, ধৰ্মত্যাগী ৰজাৰ সিংহাসন লৈও ভয় আছিল।

(৫)

মুঠতে, দেখা যায় যে প্ৰাচীন ভাৰতীয় সংস্কৃতিৰ আদৰ্শই হ'ল সমষ্টিগত স্বাতন্ত্ৰ্যৰ সংৰক্ষণ। ৰাষ্ট্ৰনীতিৰ ক্ষেত্ৰতো আছিল সেই একেটাই আদৰ্শ। অসংখ্য ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যত শতধা বিভক্ত হৈ থাকিলেও ভাৰতবৰ্ষৰ সংস্কৃতিত এটা মৌলিক ঐক্য আছিল। সাম্ৰাজ্য স্থাপনৰ সময়ত সেই ঐক্য সুন্দৰভাৱে সংৰক্ষিত হৈছিল। অশোক, হৰ্ষবৰ্ধন, কণিষ্ক আদি ৰজাসকলৰ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাষ্ট্ৰবোৰ নিজ নিজ অধীনত আছিল যদিও সিবিলাকৰ

সমষ্টিগত বৈশিষ্ট্য তথা সংস্কৃতিগত ঐক্য অটুট আছিল। এই বিশেষত্বই হ'ল প্ৰাচীন ভাৰতীয় সংস্কৃতিৰ মূল ভেটি। পৰম্পৰাগত ভাবে ভাৰতবৰ্ষীয় এই সংস্কৃতিয়ে ভাৰতৰ ঐশ্বৰ্য আৰু গৰিমা আজিও প্ৰবৰ্ত্তি আছে। বিশ্বত সেইবাবেই ভাৰতীয় সংস্কৃতি এক অনুকৰণীয় আদৰ্শৰূপে প্ৰতিপন্ন হৈ আহিছে।

ভাৰতৰ আৰ্য-সভ্যতা আৰু সংস্কৃত ভাষা

(১)

আৰ্যসকল সিন্ধু উপত্যকা তথা ভাৰতৰ পশ্চিমাঞ্চলত নিগাজিকৈ বসবাস কৰাৰ পাছত ভাৰতৰ পুব আৰু দাক্ষিণ ফাললৈকো ক্ৰমশঃ বিস্তাৰ লাভ কৰিবলৈ ধৰিলে সময়ত কোল, অষ্ট্ৰিক আৰু দ্ৰাবিড় আদিৰ দ্বাৰা অধ্যুষিত ভাৰতবৰ্ষত এটা নতুন সভ্যতাৰ পাতনি মেলিলে। অৱশ্যে এই আৰ্য আগমন সম্পৰ্কে, কিম্বা সভ্যতাৰ উৎস সম্পৰ্কে ভিন্ন মতৰ যি তৰ্কৰ আজিও অন্ত পৰা নাই। ম্যাক্সমুলাৰ প্ৰমুখ্যে য়ুৰোপীয় পণ্ডিতসকলৰ মতে আৰ্যসকল মধ্য এচিয়াৰপৰা য়ুৰোপৰ নানা ঠাইত বসবাস কৰিবলৈ লোৱাৰ সময়তে ভাৰততো প্ৰৱেশ কৰেহি আৰু সেই সকলেই হ'ল বেদ প্ৰণয়নকাৰী আৰ্য। আনহাতে, কিছুমানৰ মতে আকৌ আৰ্যসকল ইলাবৃত অৰ্থাৎ মঙ্গোলিয়াৰ পৰাহে ভাৰতত প্ৰৱেশ কৰেহি। বাল গঙ্গাধৰ তিলক আদি কিছুমান প্ৰাচ্য বিদ্যাবিশাৰদৰ মতে ভাৰতবৰ্ষহে আৰ্যৰ আদি পিতৃভূমি। স্বামী যোগানন্দ সৰস্বতীয়ে 'জীৱতত্ত্ব বিবেক' গ্ৰন্থৰ স্বৰ্গ আৰু নৰকতত্ত্বত লিখিছে, 'বৰ্তমান তিব্বত, টাটাৰ, মঙ্গোলিয়া, চাইবেৰিয়া, আদি দেশত আৰ্যসকল বসবাস কৰিছিল, কালক্ৰমে তেওঁলোকে লাহে লাহে ভাৰতত উপনিবেশ পাতিলেহি' আকৌ কোনো কোনো ঐতিহাসিকে বৰ্তমান কৰ খোজে, 'সম্প্ৰতি আৱিষ্কৃত বোঘাজকোই লিপিত ভাৰতীয় আৰ্য দেৱ-দেৱীৰ নামোল্লেখৰ দ্বাৰা প্ৰমাণিত হয় আনুমানিক খ্ৰীষ্টপূৰ্ব ১৪০০ মানত পশ্চিম এচিয়াৰ বিভিন্ন অঞ্চলত আৰ্যসকল বসবাস কৰিছিল। গতিকে তাৰ আগতে আৰ্যসকল ভাৰতত প্ৰৱেশ কৰা কথা নিঃসন্দেহে গ্ৰহণ কৰিব পাৰি' ভাষাবিদ আচাৰ্য সুনীতি কুমাৰ চট্টোপাধ্যায়ে 'ভাৰত-সংস্কৃতি'

গ্ৰন্থত এই বিষয়ে বহুল ব্যাখ্যা দি গৈছে। তেখেতৰ মতে মধ্য বা পূৰ্ব য়ুৰোপৰ নাইবা কচ্ছ দেশৰ উৰল পৰ্বতমালাৰ সমতলভূমিত আজিৰ পৰা প্ৰায় পাঁচ হাজাৰ বছৰ আগেযে খ্ৰীষ্টপূৰ্ব তিনি হাজাৰ মানত ইন্দোয়ুৰোপীয় বা আদি আৰ্য জাতিৰ উৎপত্তি হৈছিল।

সেই আদি অৱস্থাত আৰ্যসকলে নিজ দেশত যথেষ্ট উচ্চ পৰ্যায়ৰ সভ্যতাৰ সৃষ্টি কৰিব পৰা নাছিল। সেই সভ্যতা বহুখিনি নিম্ন পৰ্যায়ৰ আছিল। অৱশ্যে তেওঁলোকৰ মাজত বহুপৰিমাণে মানসিক আৰু নৈতিক গুণৰ উন্মেষ হৈছিল। তেওঁলোক একাধাৰে আছিল কৰ্মঠ, কল্পনাপ্ৰৱণ, আৰু নিজ দল বা শাখাৰ মাজত আছিল দৃঢ় ঐক্যবদ্ধ। তদুপৰি তিৰোতাৰ ওপৰত তেওঁলোকৰ আছিল প্ৰগাঢ় শ্ৰদ্ধা আৰু অসীম বিশ্বাস। যিমানদূৰ সম্ভৱ প্ৰচণ্ড শীতৰ প্ৰকোপ আৰু হয়তো উৰল আলটাই জাতিৰ তীব্ৰ আক্ৰমণত অতীষ্ঠ হৈ সেই আৰ্যসকল চৌদিশে ভেদ দলি হৈ পৰিল আৰু কেইপিনে বহুধা বিভক্ত হৈ দলে দলে ভাগি আহিবলৈ ধৰিলে। যি সময়ত আৰ্যসকল স্বদেশত মেষ পালন আৰু খেতিৰ অবলম্বনত জীৱিকা নিৰ্বাহ কৰিছিল সেই সময়ত মিছৰৰ বেবিলন, এচিয়া মাইনৰ আৰু মেচোপটেমিয়াত সিবিলাকতকৈও বহু ৰেখ খাপৰ এক সভ্যতা গঢ় উঠিছিল আৰ্যসকল এইবোৰ দেশলৈ আহি বসবাস কৰিয়েই ক্ষান্ত থকা নাছিল, ক্ৰমান্বয়ে দেশ অধিকাৰ কৰি তাক নিজৰ অধীনলৈ আনি আত্মপ্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল। মিছৰ আৰু মেচোপটেমিয়াৰ অধিবাসীসকলে গাধ আৰু গৰু পুহিবলৈ লৈছিল আৰু আৰ্যসকলে পুহিবলৈ লৈছিল ঘোঁৰা। ঘোঁৰাত উঠি কিম্বা ঘোঁৰাৰ সহায়ত চাৰি চকাৰ ৰথত উঠি দূৰ ঠাইলৈ যোৱাৰ উপায় উদ্ভাৱন কৰি দূৰত্বৰ ব্যৱধান কমাবলৈও সক্ষম হৈছিল। আৰ্যসকলৰ এই নতুন আৱিষ্কাৰে প্ৰাচীন সমাজ তথা সভ্যতাৰ এটা নতুন যুগৰ সূচনা কৰিছিল।

(২)

ইতিহাসৰ ৰঙ্গমঞ্চত আৰ্যসকল অৱতীৰ্ণ হোৱা কালত সু-সংবদ্ধ আত্মবোধযুক্ত কৰ্মশক্তি আৰু ভাৱনাশক্তিত বলীয়ান সেই আৰ্যসকলক বাধা দিয়াটো সুসভ্য এচিয়া মাইনৰ, বেবিলন, এচিৰীয়, মিছৰ আৰু গ্ৰীছ দেশৰ আদিবাসীসকলৰ বাবে অত্যন্ত দুৰূহ হৈ পৰিল। আৰ্যসকলে কিছুমান দেশ অধিকাৰ কৰি তাত উপনিবেশ পাতি স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱাত তেওঁলোকক উচ্ছেদ কৰা টান হৈ পৰিল, আনকি কিছুমান দেশত ঠলুৱা অধিবাসীয়ে তেওঁলোকৰ ওচৰত দাসত্ব স্বীকাৰ কৰি বশ মানিহে থাকিবলগীয়া হ'ল। কমী নামৰ এটা আৰ্যদলে বেবিলন অধিকাৰ কৰি কেবা শ বছৰ ধৰি তাত ৰাজত্ব কৰিছিল।

নানা গোত্ৰত বিভক্ত আৰ্যসকলৰ যিসকলে মেচোপটেমিয়াত বসবাস নকৰিলে তেওঁলোকেই হ'ল ইৰাণীয় আৰু ভাৰতীয় আৰ্যৰ পূৰ্বপুৰুষ। পাৰ্শ্ব, মদ সক, পাৰ্থৱ আদি আৰ্য গোত্ৰসমূহ পাৰস্যতেই ৰৈ গ'ল। আনহাতে ভৰত, জুৰু মদ্ৰ, শিবি, দহ্যু, ত্ৰিসু, পুৰু, দ্ৰুহ্য আদি গোত্ৰৰ আৰ্যসকল ভাৰতলৈ আহিল। সম্ভৱতঃ ভাৰত আৰু ইৰাণৰ আৰ্যসকল নানা জাতি-উপজাতিত বিভক্ত হলেও তেওঁলোকৰ মাজত পাৰ্থক্যৰ প্ৰাচীৰ বৰ ওখ নাছিল। উভয় ঠাইতে আৰ্যসকলে তেওঁলোকক দাস বা দস্যুৰূপে অভিহিত কৰি গৈছে এওঁলোকৰ লগত ভাৰতৰ বাহিৰৰ যি সংঘৰ্ষ হৈছিল তাৰ কিছু সম্বাদ বৈদিক সাহিত্যত পোৱা যায়। অৱশ্যে সময় গৈ থকাৰ লগে লগে এওঁলোকৰ লগত আৰ্যসকলৰ বন্ধুত্বও গঢ়ি উঠিছিল।

আৰ্যসকলে ভাৰতৰ উত্তৰ-পশ্চিমাঞ্চলৰ পৰা ক্ৰমান্বয়ে সমগ্ৰ উত্তৰ ভাৰত জয় কৰি লহিল। তেওঁলোক অহা সময়ত ভাৰতত প্ৰধান অনাৰ্যজাতি আছিল দুটা : অষ্ট্ৰিক বা কোল আৰু দ্ৰাবিড়। প্ৰথমতে অনাৰ্যৰ লগত তুমুল সংঘৰ্ষ হৈছিল যদিও পাছলৈ উভয়ে বন্ধু জাতিৰ

দৰে মিলাপ্ৰীতিৰে বসবাস কৰিবলৈ ললে আৰু উত্তৰ ভাৰতৰ নাম ৰাখিলে আৰ্যাবৰ্ত। আনহাতে দক্ষিণ ভাৰতত বহুকাল পাচলৈকে আৰ্য-প্ৰাধান্য বিশেষভাৱে বিস্তাৰ লাভ কৰিব নোৱাৰিলে।

(৩)

আৰ্যসকলে তেওঁলোকৰ অসাধাৰণ সংঘশক্তি আৰু তেজীভাষা লগত লৈ বিজেতাৰূপে ভাৰতলৈ আহিছিল। সেয়ে তেওঁলোকৰ সংস্কৃত ভাষা কোল আৰু দ্ৰাবিড় গোষ্ঠীৰ পৰস্পৰ বিৰোধী অনাৰ্য ভাষা-উপভাষাৰ মাজত সহজে সমগ্ৰ উত্তৰ ভাৰতত সকলোৰে গ্ৰহণযোগ্য ভাষাৰূপে প্ৰতিষ্ঠিত হৈ পৰিল। তাৰ গুৰিত আন কথাও কিছু আছিল—সংস্কৃত আছিল ৰাজশক্তি তথা শাসক শ্ৰেণীৰ ভাষ, ৰাজভাষা প্ৰজাই গ্ৰহণ নকৰিও নোৱাৰে। আৰ্য ধৰ্ম আৰু সমাজ অনাৰ্যসকলতকৈ বহুলাংশে পৃথক আছিল। অনাৰ্যৰ ধৰ্ম আৰু সমাজত নানা পূজা-পাতল, বলি-ব্যৱস্থা আদিৰ প্ৰচলন আছিল, দ্ৰাবিড় সকলেও ডাঙৰ ডাঙৰ মন্দিৰ সাজি তাত দেৱ-দেবীৰ প্ৰতীক ৰাখি ফুল চন্দন দি পূজা কৰিছিল। আৰ্যসকলৰ সমাজত তেনেকুৱা কোনো পূজা পাতলৰ ব্যৱস্থা নাছিল, তেওঁলোকৰ মূলশাস্ত্ৰ বেদৰ বিধান অনুসৰি তেওঁলোকে যাগ-যজ্ঞ আৰু হোম আদিৰ দ্বাৰাহে দেৱতাক সন্তুষ্ট কৰিছিল, আৰু পাছত আত্মোপলব্ধিৰ পথ উলিয়াই ব্ৰহ্ম বা ব্ৰহ্মজ্ঞান লাভ কৰাকেই শ্ৰেষ্ঠ উপায় বুলি ধৰি লৈছিল।

আৰ্য আৰু অনাৰ্যৰ ধৰ্ম আৰু সমাজ ব্যৱস্থাৰ মাজত পাৰ্থক্য থাকিলেও উভয়ৰে মাজত এটা বন্ধুত্বৰ যোগাযোগ হোৱাত বহু বিষয়ত মিলনৰ সূত্ৰ গঢ়ি উঠিছিল আৰু ফল স্বৰূপে এটা নতুন সভ্যতাৰ সৃষ্টি হৈছিল। এই সভ্যতাৰ জৰিয়তে দুয়োটা জাতিৰ ধৰ্ম আৰু সমাজত কিছু সাল-সলনি ঘটিছিল। তদুপৰি তাৰ মাজেদি নতুন নতুন ব্যৱস্থাৰো সৃষ্টি হৈছিল। আৰ্যসকলৰ মূলশাস্ত্ৰ বেদ, উপনিষদ,

দৰ্শন আৰু ব্ৰাহ্মণাদি গ্ৰন্থসমূহ অনাৰ্যসকলেও প্ৰধান শাস্ত্ৰৰূপে গ্ৰহণ কৰি ললে। আৰ্য দেৱতাৰ আখ্যান, ৰাজোপাখ্যান আৰু অনাৰ্য দেৱতাৰ আখ্যান, ৰাজোপাখ্যান আৰু অন্যান্য কাহিনীৰ সমন্বয়ত সৃষ্টি হ'ল পুৰাণ গ্ৰন্থ। অনাৰ্যৰ দেৱ-দেৱী, শিৱ, দুৰ্গা, বিষ্ণু, লক্ষ্মী আৰু সৰস্বতী সমপৰ্যায়ৰ আৰ্য দেৱ-দেৱীৰ লগত মিলি গৈ নতুন ৰূপত প্ৰতিষ্ঠিত হ'ল—পুৰাণৰ পাতত। এইদৰে নতুন সভ্যতাত পূজা আৰু ভক্তিবাদেও এটা স্বকীয়া স্থান লাভ কৰিলে। আৰ্যসকলৰ জ্ঞানবাদ অনাৰ্যসকলে গভীৰ শ্ৰদ্ধা আৰু ভক্তি সহকাৰে স্বীকাৰ কৰি ললে। অনাৰ্যৰ তত্ত্বকথায়ো আৰ্যৰ তত্ত্বজ্ঞান পুৰাণৰ মাজত স্থান পালে। এই আৰ্য-অনাৰ্য মিশ্ৰিত নতুন সভ্যতাৰ শিক্ষাৰ প্ৰধান বাহন হ'ল সংস্কৃত ভাষা। আৰ্য-অনাৰ্যৰ ৰজা-মহাৰজাৰ কাহিনী-উপকাহিনীৰ অৱলম্বনত সৃষ্টি হোৱা ৰামায়ণ, মহাভাৰত আৰু পুৰাণ আদি গ্ৰন্থ ৰচিত হ'ল সংস্কৃত ভাষাত এইদৰে সমগ্ৰ আৰ্যাৱৰ্ত ব্যাপি ঝঙ্কাৰিত হ'ল—সংস্কৃতৰ বিজয় দুন্দুভি।

(৪)

ঘটনাক্ৰমে দাক্ষিণাত্যলৈকো সংস্কৃতৰ বিজয়ী অভিযান তথা প্ৰভাৱ ক্ৰমশঃ বিস্তাৰ লাভ কৰিবলৈ ধৰিলে, সেই মুলুকতো আৰম্ভ হ'ল সংস্কৃত চৰ্চা। দ্ৰাবিড়সকলেও আৰ্যভাষা সংস্কৃতক সাদৰ সম্ভাষণ জনাবলৈ আগবাঢ়ি আহিল, তেওঁলোকেও সংস্কৃতক প্ৰাধান্য দিবলৈ কুণ্ঠাবোধ নকৰিলে। সইবুলি সংস্কৃতক আদৰি লবলৈ যাওঁতে তেওঁলোকে নিজৰ ভাষা সাহিত্যৰ চিন-চাব নোহোৱা কৰিবলৈ চেষ্টা কৰা নাই তাৰো চৰ্চা ৰাখিছে সেইবাবে আজিও তামিল ভাষাই তাৰ বিপুল সাহিত্য-ৰাজিৰ মাজেদি সসন্মানে মূৰ তুলি থাকিব পাৰিছে। তথাপি সংস্কৃতৰ মাধ্যমত শিক্ষা আৰু শাস্ত্ৰালোচনাৰ ব্যৱস্থা হ'ল, আৰু খণ্ড বিখণ্ডভাৱে বিচ্ছিন্ন ভাৰতক ঐক্যসূত্ৰত আবদ্ধ

কৰিবলৈ আৰ্য-অনাৰ্য মিলনোদ্ভূত সভ্যতাই ভাৰতৰ ৰাষ্ট্ৰীয় ব্যৱস্থাৰ সূচনা কৰিলে। এয়ে হ'ল ভাৰতত প্ৰথম ভাষাভিত্তিক জাতি-গঠন আৰু এক ভাষাত ভাৰত সংগঠন।

ভাৰত বৰ্ষত সংস্কৃত ভাষাৰ সাম্ৰাজ্য প্ৰতিষ্ঠিত হোৱাৰ পাচত এই আৰ্য ভাষাৰ দিগ্বিজয়ৰ আৰম্ভ হ'ল। সুদূৰ বিদেশতো ব্যৱসায় বাণিজ্য আদিৰ জৰিয়তে বিভিন্ন দূৰ দেশলৈ যোৱা ভাৰতীয়সকলে তাত ভাৰতীয় সভ্যতা বা হিন্দু সভ্যতাৰ গুণগান তথা প্ৰচাৰ আৰম্ভ কৰিলে। ফলত শ্যাম, কম্বোজ, মালয়, যবদ্বীপ, বলিদ্বীপ, মাদুৰা, বৰ্ণিঅ', ফিলিপাইন দ্বীপপুঞ্জ আদি ঠাইবোৰত হিন্দু সভ্যতা আৰু ধৰ্মৰ লগত সংস্কৃত ভাষায়ো নতুন নতুন ঠাইত নানাভাৱে আত্মপ্ৰতিষ্ঠা লাভ কৰিলে। এইদৰে হিন্দু সভ্যতা আৰু ধৰ্মৰ প্ৰচাৰ আৰু তাৰ লগে লগে সংস্কৃত ভাষাৰ প্ৰসাৰতা লাভৰ ফলত এফালে কাস্পিয়ান সুদৰপৰা আৰম্ভ কৰি চিন্‌কিয়াং, পূৰ্ব ইৰাণ, আফগানিস্থান, সিংহল আৰু আনফালে ব্ৰহ্মদেশ, শ্যাম, দক্ষিণ ইন্দোচীন, মালয়, সুমাত্ৰা, যবদ্বীপ, বলিদ্বীপ, শমূক, বৰ্ণিঅ', চেলিবিচ আৰু ফিলিপাইন দ্বীপপুঞ্জ আদি ঠাইবোৰ সামৰি এক বৃহত্তৰ ভাৰত গঢ়ি উঠিল এই বৃহত্তৰ ভাৰতৰ লোকসকলো ধৰ্ম আৰু সভ্যতাত বহুলাংশে ভাৰতীয় হৈ পৰিল, আৰু সৰ্বভাৰতীয় ভাষা সংস্কৃতকে তেওঁলোকে সাদৰেৰে গ্ৰহণ কৰি ললে পণ্ডিত তথা বিদ্বৎ সমাজৰ ভাষাৰূপে। এইবিলাক দেশৰ নিজৰ কোনো লিখিত ভাষা নাছিল বাবে ভাৰতীয় সংস্কৃত ভাষাৰ অৱলম্বনত বৰ্ণমালা গ্ৰহণ কৰাৰ পাছত তেওঁলোকৰ নিজ নিজ দেশীয় ভাষাসমূহে লিখিত ভাষাৰ মৰ্যাদা লাভ কৰিবলৈ প্ৰথম সুবিধা পালে।

(৫)

ভাৰতীয় গ্ৰন্থসমূহৰ বহু অধ্যয়ন চৰ্চা কৰি তেওঁলোকে নিজ

নিজ ভাষা-সাহিত্যৰ সমৃদ্ধিৰ বাবে তাৰ অনুবাদত হাত দিলে বৌদ্ধশাস্ত্ৰৰাজি, ৰামায়ণ, মহাভাৰত, পুৰাণ, আৰু অন্যান্য ব্ৰাহ্মণ্য গ্ৰন্থসমূহৰ নানাভাৱে অনুবাদ কৰি সেই ভাষাবিলাকৰ সাহিত্যৰ ভেটি ৰচনা কৰিলে। ভাৰতীয় ৰজা-মহাৰজাসকলৰ অনুকৰণত সেই দেশ সমূহৰ ৰজাসকলেও শিলৰ ফলি বা পাহাৰৰ গাত সংস্কৃত ভাষাত অনুশাসন আদি উৎকীৰ্ণ কৰিবলৈ প্ৰয়াস পালে। এনেকৈয়ে ভাৰতৰ দাঁতিকাষৰীয়া দেশসমূহত আৰু পূৰ্বাঞ্চলীয় দ্বীপপুঞ্জত ভাষাৰ সহায়ত হিন্দু সভ্যতাই প্ৰতিষ্ঠা লাভ কৰিছিল।

ভাৰতীয় সভ্যতাৰ শ্ৰেষ্ঠতম ভাষা সংস্কৃতৰ চৰ্চা আজি ভাৰতত ক্ৰমশঃ হ্ৰাস পাই আহিব ধৰিছে, দেশীয় ৰাজনৈতিক আৰু অৰ্থনৈতিক চেপা-খুন্দাৰ পাচতো সংস্কৃত চৰ্চা যিকণ আছে সিয়ো প্ৰায় মুমূৰ্ষু অৱস্থা পাইছেগৈ। ভাৰতীয় সভ্যতাৰ সুউচ্চ সৌধ নিষ্কলঙ্কিতভাৱে ৰাখিবলৈ হলে সংস্কৃত চৰ্চা অত্যন্ত অপৰিহাৰ্য।

ডাকৰ কথা

(১)

অসমীয়া জন-জীৱনত ডাক আৰু ডাকৰ বচন বেদবাক্যৰ সমতুল্য। সমাজৰ দৈনন্দিন জীৱনৰ কেবা শতাব্দীজোৰা নানা অভিজ্ঞতাৰ সঞ্চিত ফল বুলি এই বচনসমূহক মৌলিক বিশ্বকোষৰ আখ্যা দিলেও ভুল কৰা নহয়। কিয়নো এই বচনবোৰৰ বিষয়বস্তু হ'ল ঘাইকৈ সাধাৰণ পাৰিবাৰিক জীৱন আৰু কৃষক শ্ৰেণীৰ জ্ঞাতব্য আৰু কৰ্তব্যবিষয়ক বিবিধ কথা। বাস্তৱ জীৱনৰ অতীৱ প্ৰয়োজনীয় ভালেমান সাধাৰণ জ্ঞানৰ কথাই ডাকৰ বচনৰ মূল্য বৃদ্ধি কৰিছে।

ডাকৰ বচনৰ সমপৰ্যায়ৰ আন কিছুমান বচন নামনি অসমৰ কোনো কোনো অঞ্চল, বাংলাদেশ আৰু বঙ্গদেশত প্ৰচলিত আছে। সেইবোৰ খনাৰ বচন বুলি প্ৰসিদ্ধ এইখিনিতে এটা কথা উল্লেখ কৰা সমীচীন হ'ব যে খনাৰ বচন ঘাইকৈ জ্যোতিষ আৰু বতৰ-পাতি-বিষয়ক, কিন্তু কৃষক তথা গ্ৰাম্য জীৱনত এইবোৰৰ ইমান বেছি প্ৰভাৱ যে বহু সময়ত একে বচন খনা আৰু ডাক উভয়ৰে উক্তিৰূপে প্ৰচলিত হোৱাও দেখা যায়।

অসমীয়াৰ দৰে বঙালী, মৈথিলী, উৰিয়া হিন্দী, ৰাজস্থানী আদি ভাষাতো এনেকুৱা বচনৰ প্ৰচলন আছে। ভাৰতৰ বিভিন্ন প্ৰদেশত, জনজীৱন তথা সমাজত শাস্ত্ৰীয় উক্তিৰ দৰে প্ৰভাৱ বিস্তাৰ কৰিব পৰা বিবিধ বাণী বা বচনসমূহ লোক সাহিত্যৰ অমূল্য সম্পদ আৰু সিবোৰ আজিও মানুহৰ মুখবাগৰি জীয়াই আছে। কিন্তু অসমীয়া আৰু মৈথিলী ভাষাত ৰচিত এই বচনসমূহ ডাকৰ বচনৰূপে এক প্ৰবাদ পুৰুষ মিহিৰ পুত্ৰ ডাকৰ নামতহে আৰোপিত কৰা দেখা যায়। আনহাতে পূৰ্বভাৰতত ডাকক এগৰাকী খ্যাতিমান জ্যোতিষী বা

ভবিষ্যদ্বক্তা বুলিও ধৰি লোৱা হয়, আৰু এই ভাষা-ভাষী অঞ্চলত তেনেকুৱা ধৰণৰ নিজা নিজা কিছুমান কাহিনী উপকাহিনীও প্ৰচলিত আছে—সেই কাহিনীৰ আলমলৈয়ে এই অঞ্চলৰ বিভিন্ন ভাষা-ভাষী-লোকে ডাকক নিজদেশীয় লোক বুলি দাবী কৰে। এই সম্পৰ্কে বিষদভাবে তুলনামূলক আলোচনাৰ অৱতাৰণা কৰিলেহে কিবা এটা গ্ৰহণযোগ্য সিদ্ধান্তত উপনীত হব পাৰি। সম্ভৱতঃ গুৰুত্ব আৰোপ কৰি সমাজত দৃঢ়ভাবে প্ৰচলন কৰাৰ মানসেৰে জনৈক প্ৰবাদ পুৰুষৰ মুখ নিসৃতৰূপ দিবলৈ বচন ৰচয়িতা সকলে যত্ন কৰিছিল। ডাক নামৰ কোনো মানুহ নাছিল বুলিহে ধাৰণা হয়।

(২)

ডাকৰ বচন সমূহৰ সংগ্ৰহমূলক পুথি কেইখনমান আমাৰ হাতত পৰিছে। অসমীয়া ভাষাত প্ৰচলিত ডাকৰ বচনসমূহ হ'ল,—বৰকটকী কোম্পানি প্ৰকাশিত 'ডাকচৰিত', ভদ্ৰসেন বৰাৰ 'ডাকবচন', দণ্ডীৰাম দত্তৰ 'ডাকৰ বচন'। ইয়াৰ উপৰিও 'অসমীয়া সাহিত্যৰ চানেকি' আৰু এই ভাষা সাহিত্যৰ বুৰঞ্জীসমূহৰ ন-পুৰণি লেখকৰ আলোচনা আৰু অসমীয়া লোকসাহিত্যৰ আলোচনামূলক গ্ৰন্থ, প্ৰবন্ধ আদিত ডাক সম্পৰ্কে বিস্তৃত আলোচনা আৰু মন্তব্য সন্নিবিষ্ট হৈছে খনাৰ বচনৰ সংগ্ৰহমূলক পুথিৰ দৰে বঙ্গভাষাতো ডাকৰ বচনৰ একাধিক সংগ্ৰহমূলক পুথি পোৱা যায়। সিবিলাকৰ ভিতৰত দুৰ্গাপতি মুখোপাধ্যায়ৰ 'ডাকপুৰুষেৰ কথা' আৰু সুশীলকুমাৰ দেৰ বাংলাপ্ৰবাদ' গ্ৰন্থত ভালেমান ডাকৰ বচন সন্নিবিষ্ট হৈছে। ডাক সম্পৰ্কীয় আলোচনাৰ দ্বাৰা দীনেশচন্দ্ৰ সেনৰ 'বঙ্গভাষা ও সাহিত্য', নগেন্দ্ৰনাথ বসুৰ 'বিশ্বকোষ', আশুতোষ ভট্টাচাৰ্য্যৰ 'বাংলালোকসাহিত্য' আৰু সুকুমাৰ সেনৰ 'বাঙ্গালা সাহিত্যেৰ ইতিহাস (১ম)' আদি গ্ৰন্থসমূহ সমৃদ্ধ আৰো মৈথিলী সাহিত্যৰ

বুৰঞ্জীৰ লগত J Christian প্ৰণীত 'Bihar Provebs'-খনো মৈথিলী ভাষাত প্ৰচলিত ডাকৰ বচনখিনিৰ বাবে প্ৰমাণযোগ্য গ্ৰন্থ।

বঙ্গদেশ আৰু নামনি অসমৰ কোনো কোনো অঞ্চলত বাহিৰে আন ঠাইত মাত্ৰ এজনৰ বচনহে প্ৰচলিত, কিন্তু বঙ্গদেশ আৰু নামনি অসমৰ কিছু অংশত খনা আৰু ডাক দুয়োবিধ বচনৰ প্ৰচলন আছে। অৱশ্যে পশ্চিমবঙ্গত ডাকৰ বচনৰ প্ৰচলন বৰ কম তাত খনাৰ বচনহে মানুহৰ মুখত আথৈ ফুটা দিয়ে। পিচে অসমত খনাৰ বিশেষ স্থান নাথাকিলেও খনাৰ কিছুমান বচন ডাকৰ নামত অসমীয়া আৰু মৈথিলী অঞ্চলৰ মানুহৰ মাজত জ'য়াই থকাৰ কথা নুই কৰিব নোৱাৰি। উৰিয়াসকলৰ মাজত খনাৰ বচনৰ প্ৰাধান্যৰ কথা নকলেও হ'ব। উপৰোক্ত মুখোপাধ্যায়ৰ ডাকৰ বচনৰ সংগ্ৰহত ডাকৰ নামত কৃষি-বিষয়ক ভালেমান খনাৰ বচনেও স্থান পাইছে। সেইদৰে দে প্ৰণীত বাংলাপ্ৰবাদতো এই সন্দেহ বৰ্তমান। মূলত এই বচনসমূহ গাঁৱলীয়া বাস্তৱ জীৱনৰ শিক্ষামূলক বাক্য। বঙ্গদেশত জ্যোতির্বিদ্যাত বিশেষ ব্যুৎপত্তি থকা খনা নামৰ এগৰাকী বিদুষী নাৰীৰ স্বকীয় কিংবদন্তী চলি অহাত বচনসমূহৰ দুটা শ্ৰেণী বা বিভাগ কল্পিত হৈছে। সেইবাবেই বঙ্গদেশত ডাকৰ বচন খনাৰ নামত আৰু খনাৰ বচন ডাকৰ নামত প্ৰচলিত হোৱা কথা অস্বীকাৰ কৰিব নোৱাৰি।

উত্তৰ প্ৰদেশ, ৰাজস্থান আদি অন্যান্য প্ৰদেশবোৰতো এই পৰ্যায়ৰ জ্ঞানী লোক তথা ভবিষ্যদ্বক্তা বা দূৰদৰ্শী ব্যক্তিৰ দ্বাৰা ৰচিত উক্তিৰ প্ৰচলন আছে। অৱশ্যে কোনো জ্যোতিষী বা দূৰদৃষ্টিসম্পন্ন লোকৰ উক্তিত মূলবচনৰ লগত এইদৰে সংযোজিত হোৱাটো সম্ভৱ। কিন্তু খনা আৰু ডাকৰ কথা কিছু পৃথক।

( )

খনা আৰু ডাক এই শব্দ দুটাৰ ব্যুৎপত্তিগত অৰ্থাদিৰ বিষয়ে এই

সন্দৰ্ভতে বিশ্লেষণ কৰি চোৱা দৰ্কাৰ সমাজত প্ৰচলিত কাহিনী অনুসৰি খনা জ্যোতিষ বিশাৰদা বিদুষী নাৰী আৰু ডাক জ্ঞানী পুৰুষ। সংস্কৃত 'ক্ষণদ' শব্দৰ পৰা উদ্ভূত 'খণঅ/খনঅ'ৰ পৰা 'খনা' (=গণনাকাৰী) শব্দৰ উৎপত্তি। সেইফালৰপৰা খনাৰ বচনৰ লগত খনাশব্দৰ তাৎপৰ্য মনকৰিবলগীয়া। আনহাতে কিংবদন্তি বা প্ৰবাদ আদি জনশ্ৰুতিমতে উজ্জয়িনীৰ ৰজা বিক্ৰমাদিত্যৰ ৰাজসভাৰ অন্যতম জ্যোতিষ শাস্ত্ৰৰ প্ৰখ্যাত পণ্ডিত বৰাহৰ পুত্ৰ মিহিৰৰ পত্নী হ'ল এই খনা। খ্ৰীষ্টীয় ষষ্ঠ শতিকাত উজ্জয়িনীত বৰাহমিহিৰ নামৰ এজন বিখ্যাত জ্যোতিষী আছিল। সেই বৰাহৰ পুত্ৰ মিহিৰ খনাৰ স্বামীৰূপে পৰিচিত হৈ আহিছে। সেই বৰাহমিহিৰৰ লগত খনাৰ সম্পৰ্ক কাল্পনিক। ঐতিহাসিক তথ্যৰ অভাৱত এই কাহিনীৰ সত্যতা প্ৰমাণ কৰিব নোৱাৰি। আনহাতে জনশ্ৰুতিৰ উপকথাক কাল্পনিক কাহিনী পৰ্যায়তে ৰখা উচিত।

(৪)

উত্তৰ প্ৰদেশত আমাৰ ডাকৰ বচনৰ দৰে এক শ্ৰেণী বচনৰ প্ৰচলন আছে। সেইবোৰক ঘাঘৰ ভণিতা বুলি কোৱা হয়। 'ঘাঘ'ৰ অৰ্থও ডাকৰে সৈতে একে, অৰ্থাৎ 'জ্ঞানীলোক'। ঘাঘৰ ভালেমান বচন ৰাজস্থানৰ 'ভড্ডলী/ভড্ ডলী'ৰ বচনৰ সৈতে একে এইটোৱো আন এটা বিশেষ মনকৰিবলগীয়া কথা। এই বিলাকতো ডাকৰ বচনৰ দৰে বহু যুগৰ সঞ্চিত অভিজ্ঞতা আৰু দৈনন্দিন জীৱনৰ ব্যৱহাৰিক সত্যতা নিহিত আছে। এই প্ৰসঙ্গতে ৰাজস্থানৰ ৺জগদীশ সিংহ গহলোতৰ দ্বাৰা প্ৰকাশিত 'ৰাজস্থানী কৃষিহাৰতৈ' গ্ৰন্থখনৰ কথা উল্লেখ কৰিব পাৰি। এই গ্ৰন্থতো ভালেমান ডাকৰ বচন সন্নিবিষ্ট হৈছে। এই বচনসমূহ মূলতে অসমীয়া তথা পূৱ ভাৰতৰ ডাকৰচিত নে ৰাজস্থানী ডাকৰ বচনা সঠিক নিৰ্ণয় কৰা কঠিন। তদুপৰি